# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-06-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কাৰ্যভাৰ গ্ৰহণৰ পাছত প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ বিষয়ববীয়া তথা সদস্যসকলক সম্বোধন কৰে। তেওঁ কয় যে বিগত ১০ বছৰে তেওঁ প্ৰধানমন্ত্ৰী কাৰ্যালয়ক উন্নয়নৰ অনুঘটক হিচাপে ব্যৱহাৰ কৰাৰ চেষ্টা কৰি আহিছে। তেওঁ কয় যে তৃতীয়টো কাৰ্যকালৰ বাবে জনসাধাৰণে তেওঁৰ নেতৃত্বৰ চৰকাৰক অৰ্পন কৰাৰ দায়িত্ব তেওঁৰ দায়বদ্ধতা বৃদ্ধি কৰাৰ লগতে দেশক উন্নয়নৰ শিখৰলৈ লৈ যোৱাৰ সংকল্পক শক্তিশালী কৰি তুলিছে। দেশৰ চৰকাৰৰ অৰ্থ সামৰ্থ, সমৰ্পণ আৰু সংকল্পৰ নতুন শক্তি বুলি শ্ৰী মোদীয়ে মন্তব্য কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ বাবে সময়ৰ কোনো সীমাবদ্ধতা থাকিব নোৱাৰে। দেশৰ বাবে প্ৰতি মুহূৰ্ততে উৎসৰ্গিত মনোভাৱেৰে কাম কৰি যোৱাৰ বাবে এই কাৰ্যালয় দায়বদ্ধ বুলিও তেওঁ উল্লেখ কৰে। তেওঁ লগতে দৃঢ় সংকল্প আৰু সমৰ্পিত মনোভাৱ লৈ নিষ্ঠা সহকাৰে কাম কৰিবলৈ আগ্ৰহীসকলক তেওঁক সহযোগ কৰিবলৈ আহ্বান জনায়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত শ্ৰীমোদীয়ে কিষাণ সন্মান নিধিৰ সপ্তদশ কিস্তি মুকলি কৰে। এই কিস্তিৰ দ্বাৰা ৯ কোটি ৩০ লাখ কৃষকক প্ৰায় ২০ হাজাৰ কোটি টকা বিতৰণ কৰা হ'ব। শ্ৰীমোদীয়ে কয় যে, তেওঁৰ চৰকাৰৰ প্ৰথমটো সিদ্ধান্তই কৃষকসকলৰ কল্যাণৰ হকে তেওঁৰ প্ৰতিশ্ৰুতিবদ্ধতাকে প্ৰতিফলিত কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে তেওঁৰ চৰকাৰ কৃষকসকলৰ উন্নয়নৰ বাবে সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ। দেশৰ সকলো কৃষকক সহায় আগবঢ়োৱাৰ লক্ষ্যৰে ২০১৯ চনত পি এম কিষাণ আঁচনি আৰম্ভ কৰা হৈছিল। এই আঁচনিৰ জৰিয়তে প্ৰতিবছৰে যোগ্য কৃষকক ছহেজাৰ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰা হয়। এই ধনৰাশি ২ হাজাৰকৈ তিনিটা কিস্তিত হিতাধিকাৰীসকলৰ বেংক একাউণ্টযোগে প্ৰদান কৰা হয়। আঁচনিখনৰ জৰিয়তে বৰ্তমানলৈকে ১১ কোটি কৃষক পৰিয়াল উপকৃত হৈছে।

০০০০০০০০

ছিকিম ক্ৰান্তিকাৰী মৰ্চা এছ কে এমৰ নেতা প্ৰেম সিং টামাঙে আজি ছিকিমৰ মুখ্যমন্ত্ৰী হিচাপে দ্বিতীয়বাৰৰ বাবে শপতগ্ৰহণ কৰে। তেওঁৰ লগতে ১১ গৰাকী কেবিনেট মন্ত্ৰীয়েও আজি শপত লয়। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই শ্ৰীটামাং আৰু তেওঁৰ মন্ত্ৰী সভাৰ সদস্যসকলক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱায়। আজি শপত গ্ৰহণ কৰা কেবিনেট মন্ত্ৰীসকলৰ ভিতৰত চোনম লামা, অৰুণ কুমাৰ উপ্ৰেটি, চমদুপ লেপচা, ভিমহাং লিম্বু অন্যতম। গেংটকৰ পালিজোৰ ষ্টেডিয়ামত আজি বিয়লি আয়োজিত শপতগ্ৰহণ অনুষ্ঠানত বৌদ্ধ ভিক্ষুসকলৰ প্ৰাৰ্থনা, খ্ৰীষ্টধৰ্মী সংগীত গোটৰ গীত পৰিৱেশন আৰু বেদৰ মন্ত্ৰ উচ্চাৰণে গাম্ভীৰ্যপূৰ্ণ পৰিৱেশৰ সৃষ্টি কৰে। উল্লেখযোগ্য যে ছিকিম বিধানসভা নিৰ্বাচনত ৩২ খনৰ আসনৰ ভিতৰত ছিকিম ক্ৰান্তিকাৰী মৰ্চাই ৩১ খনতেই জয়লাভ কৰিছিল। ছিকিম ডেম'ক্ৰেটিক ফ্ৰ'ণ্টে মাত্ৰ এখন আসনহে লাভ কৰিবলৈ সমৰ্থ হয়।

০০০০০০০০০

মাজুলী জিলা কৃষি বিভাগৰ অধীনত আটমাৰ উদ্যোগত আজি গড়মূৰ কৃষিচক্ৰৰ অন্তৰ্গত মহৰিচুক আৰু মালাপিন্ধা মিৰি গাঁৱত কেইবাটাও আত্মসহায়ক গোটক কাঠফুলা খেতি সন্দৰ্ভত প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই অনুষ্ঠানত প্ৰশিক্ষণপ্ৰাপ্ত মহিলাসকলৰ মাজত খেতিৰ বাবে যাৱতীয় সামগ্ৰীও বিতৰণ কৰা হয়। গড়মূৰ আৰু কমলাবাৰী কৃষি চক্ৰৰ

কেইবাগৰাকীও কৃষি উন্নয়ন বিষয়াৰ লগতে কাঠফুলা খেতিৰে স্বাৱলম্বী হোৱা মাধুৰীমা দত্তই এই প্ৰশিক্ষণ কাৰ্যসূচীত উপস্থিত থাকে।

oooooooo

ডিব্ৰুগড় জিলাৰ কৃষি বিভাগে কৃষকসকলক প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ লাভালাভ সম্পৰ্কে অৱগত কৰিবলৈ বিভিন্ন সজাগতামূলক অভিযান অব্যাহত ৰাখিছে। কৃষি বিভাগে এই আঁচনিৰ অধীনত জয়পুৰ মহকুমাৰ মুৰহানী গাঁও আৰু নাহৰকটীয়াত কৃষি চক্ৰৰ ধদুমিয়া গাঁও পঞ্চায়ত অন্তৰ্গত কৃষকসকলক পঞ্জীয়নৰ সুবিধাৰ্থে আজি এটা শিবিৰ অনুষ্ঠিত কৰে।

ooooooo

যক্ষ্মা নিবাৰণৰ লক্ষ্যৰে কাইলৈৰ পৰা ৰাজ্যৰ বিভিন্ন জিলাত বি চি জি ভেকচিন প্ৰদান কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। অন্য জিলাসমূহৰ দৰে শিৱসাগৰ জিলা প্ৰশাসনে ভেকচিন প্ৰদান কাৰ্যসূচীৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। জিলাখনৰ ডেৰ লক্ষ্যাধিক লোকক এই কাৰ্যসূচীৰ অধীনত সামৰি লোৱা হৈছে। উল্লেখযোগ্য যে ২০২১ চনৰ পৰা যক্ষ্মা নিবাৰণ শাখাই দেশৰ পৰা যক্ষ্মা ৰোগ নিৰাময় কৰিবৰ বাবে টীকাকৰণৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। বিশেষ কাৰণত বাওঁ বাহুৰ ছিটা লোৱাৰ পৰা বাদ পৰি যোৱা লোকসকলক এই অভিযানে সামৰি ল'ব। প্ৰাপ্তবয়স্ক যিকোনো এজন সুস্থ লোকে এই বিনামূলীয়া বি চি জি ভেকচিন ল'ব পাৰিব।

oooooo–

মাজুলী জিলাৰ কৃষকসকলে ন্যুনতম সমৰ্থন মূল্যত সৰিয়হ বিক্ৰীৰ বাবে অহা ১২ জুনলৈ সৰিয়হ ক্ৰয় কেন্দ্ৰত সৰিয়হ জমা দিব পাৰিব। সৰিয়হ ক্ৰয়ৰ সৈতে জড়িত সংস্থা **নাফেড**ৰ তৰফৰ পৰা জিলা কৃষি বিভাগে অৱগত কৰিছে। সেয়েহে কৃষকসকলক নিৰ্দিষ্ট সময়ৰ ভিতৰত সৰিয়হ ক্ৰয় কেন্দ্ৰত সৰিয়হ জমা দিবলৈ কৃষি বিভাগে আহ্বান জনাইছে।

oooooooo

টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি বাংলাদেশ দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

oooooooo

**সমাপ্ত**